# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-11-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - -**

ক'ভিদ-19 মহামাৰীৰ সময়ত ডমিনিকালৈ আগবঢ়োৱা অৱদান তথা ভাৰত আৰু ডমিনিকাৰ মাজৰ অংশীদাৰিত্ব শক্তিশালী কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা ভূমিকাৰ বাবে ডমিনিকাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ দেশখনৰ সৰ্বোচ্চ ৰাষ্ট্ৰীয় বঁটা আগবঢ়াইছে। গায়ানাৰ জৰ্জ টাউনত ১৯ৰ পৰা ২১ নৱেম্বৰলৈ হ'বলগীয়া ভাৰত-কেৰিকম সন্মিলনত কমনৱেল্থ অব্ ডমিনিকাৰ ৰাষ্ট্ৰপতি ছিলভানী বাৰ্টনে শ্ৰী মোদীক এই বঁটা প্ৰদান কৰিব। ডমিনিকাৰ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে এটা বিবৃতিত প্ৰকাশ কৰা অনুসৰি ২০২১ চনৰ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী মোদীৰ উদ্যোগত কেন্দ্ৰীয় চৰকাৰে ডমিনিকালৈ আষ্ট্ৰাজেনেকা ক'ভিদ-19 প্ৰতিষেধকৰ ৭০ হাজাৰ পালি প্ৰেৰণ কৰিছিল। দেশখনে আগবঢ়োৱা এই বঁটাই ডমিনিকাৰ স্বাস্থ্য, শিক্ষা আৰু তথ্য-প্ৰযুক্তি খণ্ডলৈ ভাৰতে আগবঢ়োৱা সমৰ্থনৰ লগতে জলবায়ু স্থিতিস্থাপকতা তথা গোলকীয় পৰ্যায়ত বহনক্ষম উন্নয়নৰ প্ৰসাৰৰ ক্ষেত্ৰত শ্ৰী মোদীৰ ভূমিকাক প্ৰতিফলিত কৰিছে। এই বঁটা ডমিনিকাৰ সৈতে দ্বিপাক্ষিক সম্পৰ্ক গঢ়ি তোলাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী মোদীৰ ভূমিকাৰ প্ৰতি দেশখনৰ কৃতজ্ঞতা প্ৰকাশ বুলি ডমিনিকাৰ প্ৰধানমন্ত্ৰী ৰুছ্ভেল্ট স্কেৰিটে মন্তব্য কৰে। শ্ৰী মোদী ডমিনিকাৰ এগৰাকী সঁচা বন্ধু বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী স্কেৰিটে কয়, যে শ্ৰী মোদীৰ সমৰ্থনৰ বাবে দেশখনৰ এই সৰ্বোচ্চ সন্মান তেওঁলৈ আগবঢ়াবলৈ পোৱাটো অতি সন্মানৰ বিষয়।

ooooo

কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই আজি গোৱালপাৰা জিলা আয়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত আকাংক্ষিত জিলাৰ পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় চৰকাৰৰ নীতি আয়োগৰ দ্বাৰা আকাংক্ষিত জিলা হিচাপে তালিকাভুক্ত হোৱা গোৱালপাৰা জিলাত বিভিন্ন আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত লোৱা পদক্ষেপ সম্পৰ্কে সভাখনত পৰ্যালোচনা কৰা হয়। সভাত মন্ত্ৰী শ্ৰীমাৰ্ঘেৰিটাই গোৱালপাৰা জিলাত কেন্দ্ৰীয় চৰকাৰে কোনো প্ৰকল্প বা কেন্দ্ৰীয় চৰকাৰৰ আংশিক বিনিয়োগ থকা কোনো প্ৰকল্প ৰূপায়ণৰ ক্ষেত্ৰত যদি কিবা অসুবিধাৰ সন্মুখীন হৈ আছে তেন্তে সেই বিষয়ে এখন প্ৰতিবেদন প্ৰস্তুত কৰি দাখিল কৰিবলৈ গোৱালপাৰা জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। সেই প্ৰতিবেদনৰ ভিত্তিত কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট বিভাগৰ লগত যোগাযোগ কৰি মন্ত্ৰীগৰাকীয়ে তেনে প্ৰকল্প ৰূপায়ণৰ পথ প্ৰশস্ত কৰিব বুলি সভাত উল্লেখ কৰে।

**বাইট (পৱিত্ৰ মাৰ্ঘেৰিটা)**

উল্লেখযোগ্য যে ২০১৮ চনত সামগ্ৰিক বিকাশৰ মানৰ ভিত্তিত কেন্দ্ৰীয় চৰকাৰে তালিকাভুক্ত কৰা দেশৰ ১১২খন আকাংক্ষিত জিলাৰ ভিতৰত গোৱালপাৰা জিলাও অন্তৰ্ভুক্ত কৰা হৈছিল। সেই অনুসৰি নীতি আয়োগৰ নিৰ্দেশনাত জিলা প্ৰশাসনে শিক্ষা, স্বাস্থ্য আৰু পুষ্টি, কৃষি, প্ৰাথমিক আন্তঃগাঁথনি আদিৰ ক্ষেত্ৰত উন্নয়নৰ পদক্ষেপ গ্ৰহণ কৰি আহিছে। গোৱালপাৰা জিলা উন্নয়ন আয়ুক্তই আঁত ধৰা আজিৰ পৰ্যালোচনা সভাখনত গোৱালপাৰা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, সহকাৰী আয়ুক্ত, স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালককে

ধৰি কৃষি, সমাজ কল্যাণ বিভাগ, লোকনিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তাসকলৰ লগতে আন বিভাগীয় বিষয়াসকল উপস্থিত আছিল।

০০০০০

বিশিষ্ট সাহিত্যিক, ঔপন্যাসিক অনুৰাধা শৰ্মা পূজাৰীয়ে অসম সাহিত্য সভাৰ সভাপতি পদৰ প্ৰাৰ্থী তালিকাৰ পৰা নিজৰ নাম প্ৰত্যাহাৰ কৰিছে। আজি এই সন্দৰ্ভত সাহিত্যিকগৰাকীয়ে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ড০ উপেন্দ্ৰজিৎ শৰ্মালৈ প্ৰেৰণ কৰা এখন পত্ৰত কয়, যে সভাপতি পদৰ বাবে প্ৰস্তাৱিত আন চাৰিওগৰাকী প্ৰাৰ্থীৰ যিকোনো এগৰাকীক সৰ্বসন্মতিক্ৰমে মনোনীত কৰিলে তেওঁ সুখী হ'ব বুলি সাহিত্যিকগৰাকীয়ে উল্লেখ কৰে। সাহিত্য সভাৰ সভাপতি নিৰ্বাচনৰ প্ৰচলিত প্ৰক্ৰিয়াটোলৈ যাব খোজা নাই বুলি উল্লেখ কৰি তেওঁৰ নামটো প্ৰাৰ্থী তালিকাৰ পৰা প্ৰত্যাহাৰ কৰিবলৈ শ্ৰীমতী পূজাৰীয়ে সভাক পত্ৰযোগে অনুৰোধ জনাইছে। উল্লেখযোগ্য যে কালি সভাপতি পদৰ বাবে ঘোষিত আন এগৰাকী প্ৰাৰ্থী ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড০ ভীমকান্ত বৰুৱাইও সভাপতি পদৰ নিৰ্বাচনী দৌৰত, তেওঁ নাই বুলি প্ৰকাশ কৰিছিল।

০০০০০

সমাপ্ত